# বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন

**(আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)**

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অসমীয়া বিভাগৰ পিএইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে
প্ৰদত্ত গৱেষণা গ্ৰন্থ

**ৰূপম গগৈ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বিটিআৰ, অসম ২০২২ বৰ্ষ

# VAIJNYANIK DRISHTIBHANGIRE ASOMAR SATRIYA SANGASKRITI : EK ADHYAYAN

## ( AUNIATI SATRA, GARMUR SATRA ARU BARPETA SATRAR BISHESH ULLIKHANASAHA)

[A THESIS SUBMITTED TO BODOLAND UNIVERSITY FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE SUBJECT OF ASSAMESE UNDER THE FACULTY OF LANGUAGES]

**Submitted by :**

**RUPAM GOGOI**
**Department of Assamese**
**Bodoland University, Kokrajhar**
**2022**

Dr.Ratul Deka
Assistant Professor
Department of Assamese
Bodoland University, Kokrajhar
B.T.R , Assam, Pin-783370
Phone : 9864756694
E-mail-ratuldeka760@gmail.com

Ref No. :.....................

Date : 28/09/2022

## CERTIFICATE

This is to certified that the thesis entitled **"VAIJNYANIK DRISHTIBHANGIRE ASOMAR SATRIYA SANGASKRITI : EK ADHYAYAN (Auniati Satra, Garmur Satra aru Barpeta Satrar Bishesh Ullikhanasaha)"** is a bonafied record of research work done by **Rupam Gogoi**, under my guidance and supervision. It contains results of the candidate's personal investigation. He has fulfilled all the necessary requirements under the Ph.D. regulation of this University for submitting the thesis for the Degree of Doctor Philosophy.

This thesis has not previously formed the basis for the award of any Degree, Diploma, Associateship, Prize or other title.

**(Dr. Ratul Deka )**

Assistant Professor
Department of Assamese
Bodoland University

# DECLARATION

I, **Sri Rupam Gogoi** , hereby declare that the thesis entitled " বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ) "( Vaijnyanik Drishtibhangire Asomar Satriya Sangaskriti : Ek Adhyayan (Auniati Satra, Garmur Satra aru Barpeta Satrar Bishesh UllikhanaSaha) submitted by me is the product of my own investigation and it has not been submitted ,either in part or full, for any other research degree to this university or to any other university or institution.

Date : 28.07.22

Rupam Gogoi

**(Rupam gogoi)**
Department of Assamese
Bodoland University, Kokrajhar
Regd. No. ASS00328 of 2019-20

# কৃতজ্ঞতা জ্ঞাপন

পোন প্ৰথমে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পি এইচ.ডি. পাঠ্যক্ৰমত নামভৰ্তি কৰিবলৈ দিয়াৰ লগতে **বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতিঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক বিষয়ত গৱেষণা কৰিবলৈ দিয়া অনুমতিৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু অসমীয়া বিভাগৰ প্ৰতিগৰাকী শৈক্ষিক সদস্যলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই গৱেষণা কৰ্ম সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত তথা বিষয়বস্তু নিৰ্বাচন,ক্ষেত্ৰ অধ্যয়ন, প্ৰশ্নসূচী প্ৰস্তুত আদিৰ পৰা প্ৰতিটো দিশত দিহা-পৰামৰ্শ তথা উৎসাহ প্ৰেৰণাৰে মাৰ্গ দৰ্শন কৰা গৱেষণা গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ ৰাতুল ডেকা ছাৰলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কাৰ্যত আৰম্ভণিৰ পৰাই প্ৰেৰণা, সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী তথা বৰ্তমান গোৱালপাৰা আমজোঙাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি শৰ্মা ছাৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী ড° বিভূতিলোচন শৰ্মা ছাৰ, অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী ড° চুমী কলিতা বাইদেউ, প্ৰমুখ্যে ড° ডেইজী ৰাণী ডেকা বাইদেউ আৰু দীপামণি বৈশ্য বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কাৰ্যত বিভিন্ন দিহা-পৰামৰ্শৰে বাট দেখুওৱা নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱা ছাৰ, ড° হেমন্ত কুমাৰ শৰ্মা ছাৰ, ড° ধনৰঞ্জন কলিতা ছাৰ, ড° ধীৰাজ পাটৰ ছাৰ তথা শংকৰদেৱ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰ প্ৰাপ্ত অধ্যাপক অৰুণ কুমাৰ গোস্বামী ছাৰলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ গৱেষণা কৰ্মত বহু ব্যস্ততাৰ মাজত সময় উলিয়াই আমাক ব্যক্তিগতভাৱে লগ দি সত্ৰীয়া সংস্কৃতি সম্পৰ্কে বিস্তৃতভাৱে তথ্য দি সহায় কৰা বৰপেটা সত্ৰৰ বৰ্তমান বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা, বৰপেটা সত্ৰৰ হেমেন বুঢ়াভকত, আউনীআটী সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ

গোস্বামী, গড়মূৰ সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ আৰু ভোগপুৰ সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গৱেষণা কাৰ্যৰ ক্ষেত্ৰ অধ্যয়নত সহায় কৰা মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ প্ৰেম ওজা বৰবায়ন আৰু হৰিচৰণ ভূএঞা বৰবায়ন, আউনীআটী সত্ৰৰ শিশুৰাম ৰাজমেধি, বৰপেটা সত্ৰৰ পৰিচালনা সমিতিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জীৱনৰ এই পৰ্যায়লৈকে আগবঢ়াই দিয়া দেউতা নিৰন গগৈ, মা মঞ্জুমণি গগৈ, দাদা ৰূপক গগৈ, বৌ সংগীতা গগৈ; বাইদেউ ৰুমি গগৈ, ৰুপু গগৈ আৰু ভিনিদেউ যতিন গগৈ, গোৱিন্দ গগৈলৈ আমাৰ অশেষ শ্ৰদ্ধা কৃতজ্ঞতাৰ লগতে প্ৰতিটো ক্ষেত্ৰত পৰিয়ালৰ প্ৰতিজন সদস্যৰে স্নেহ আৰু প্ৰেৰণাক শ্ৰদ্ধা জনাইছোঁ।

আমাৰ গৱেষণা কৰ্মত সাহস আৰু প্ৰেৰণাৰে উৎসাহিত কৰাঁৰ লগতে বিভিন্ন দিশত সহায় কৰা ড০ গোৱিন্দ বৈশ্য, তিলক গগৈ, প্ৰীতিৰেখা ভূএঞা, পৰেশ খনিকৰ, বিতু বড়া, অমল নাথ, ভাস্কৰ ভূএঞা, দিব্যজ্যোতি গগৈ, ৰজনী গগৈ, স্মৃতিৰেখা সোণোৱাল, দিব্য বৰা সকলোকে আন্তৰিক কৃতজ্ঞতা জনালোঁ।

গৱেষণা গ্ৰন্থখনিৰ মুদ্ৰণৰ ক্ষেত্ৰত সহায় কৰা এন.আৰ.পাব্লিকেশ্বনকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই গৱেষণা কাৰ্যত আমাক সহায় কৰা আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

**(ৰূপম গগৈ)**

# সংক্ষিপ্ত ৰূপ

| | |
|---|---|
| ক. | — কচু |
| কু. | — কুঁহিয়াৰ |
| কুই. | —কুইন্টল |
| খে. | — খেতি |
| টি.প্র | — টিন প্ৰায় |
| নে.খে | — নেমু খেতি |
| বে.খে | — বেলি ফুলৰ খেতি |
| পৃ. | — পৃষ্ঠা |
| ভো.জ | —ভোট জলকীয়া |
| ম.খে | — মৰাপাট খেতি |
| সম্পা. | — সম্পাদক, সম্পাদনা |

# অৱতৰণিকা

# অৱতৰণিকা

## ০.১ বিষয়ৰ পৰিচয়

বৈষ্ণৱ যুগৰ পৰাই অসমৰ সমাজ জীৱনত সত্ৰানুষ্ঠানৰ প্ৰভাৱ দেখা পোৱা যায়। অসমত বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা শংকৰদেৱ-মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য প্ৰশিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰানুষ্ঠানসমূহ আছিল অসমৰ বিভিন্ন সমাজ-সংস্কৃতি, জাতি-জনগোষ্ঠী ঐক্যবদ্ধ হোৱাৰ কেন্দ্ৰস্থল। মধ্যযুগত অসমৰ বিশৃঙ্খল সমাজ ব্যৱস্থাক একত্ৰিত কৰিবৰ বাবে, সমাজৰ উচ্চ-নীচ , ৰজা-প্ৰজা, জাতি-উপজাতি সকলোৰে সমন্বয় সাধনৰ উমৈহতীয়া ক্ষেত্ৰ আছিল ধৰ্মীয় স্থান বা সত্ৰসমূহ। শ্ৰীমন্ত শংকৰদেৱে অসমৰ প্ৰকৃতি,সমাজ ব্যৱস্থা আৰু অৰ্থনৈতিক (কৃষি) ব্যৱস্থাৰ লগত মিলাই স্বাস্থ্য-বিজ্ঞান আৰু সমাজ মনোবিজ্ঞানৰ আধাৰত বৈষ্ণৱ ধৰ্মৰ পালনীয় নীতি আৰু কৰ্ম নিৰূপণ কৰি গণতান্ত্ৰিক সমাজবাদী মনোভাৱেৰে সত্ৰাদি প্ৰতিষ্ঠা কৰিছিল আৰু অনাড়ম্বৰভাৱে উপাসনাৰ ব্যৱস্থা কৰি কল্যাণকামী সমাজ গঢ়াত দৃঢ় পদক্ষেপ আগবঢ়াইছিল।

শংকৰদেৱ তথা তেওঁৰ শিষ্য-প্ৰশিষ্যসকলৰ দ্বাৰা অসমত যি সত্ৰ প্ৰতিষ্ঠা হ'ল তাৰ পাছতেই অসমৰ সমাজ জীৱনত সত্ৰসমূহ অপৰিহাৰ্য অংগ হৈ পৰিল। “ ‘সত্ৰ’ শব্দৰ আভিধানিক অৰ্থ হ'ল অধিৱেশন, হোম, যজ্ঞানুষ্ঠান, নিবাসস্থান। অসমত সত্ৰ শব্দটো বৈষ্ণৱ ধৰ্ম পালনাৰ্থে আৰু প্ৰচাৰাৰ্থে গুৰু-শিষ্য সমন্বিতে থকা কেন্দ্ৰ অৰ্থত ব্যৱহৃত হৈছে। সত্ৰ অনুষ্ঠানৰ উৎপত্তি প্ৰথমতে কেতিয়া ক'ত আৰম্ভ হৈছিল তাৰ আঁত বিচাৰি চালে পোৱা যায় নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলৰ আনুষ্ঠানিক পৰিৱেশৰ কথা। বিষ্ণুক্ষেত্ৰ নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলে স্বৰ্গ প্ৰাপ্তিৰ কাৰণে সহস্ৰ বছৰ দিন ধৰি যি অনুষ্ঠান পাতিছিল সেয়ে সত্ৰ”(গোস্বামী ১৮)। বৈষ্ণৱ ধৰ্ম পালনৰ বাবেই অসমত সত্ৰ প্ৰতিষ্ঠা হৈছিল বুলি ক'ব পাৰি। শংকৰদেৱৰ মৃত্যুৰ পাছত অসমত সত্ৰানুষ্ঠানে শ্ৰীবৃদ্ধি লাভ কৰে। সেই সময়ত সমাজত প্ৰচলিত পৰম্পৰাগত জীৱন শৈলীৰ পৰিৱৰ্তে সত্ৰৰ পৰিৱেশত পৰিশীলিত জীৱন যাপনৰ পদ্ধতি আৰম্ভ হয়। অসমৰ সত্ৰসমূহক আদৰ্শ হিচাপে লৈয়ে পৰৱৰ্তী সময়ত অসমৰ সমাজবোৰ পৰিচালিত হৈছিল। বৰ্তমানো এনে জীৱন প্ৰক্ৰিয়া কিছু পৰিমানে অসমৰ সত্ৰানুষ্ঠানত আৰু সমাজ-জীৱনতো ব্যৱহৃত হোৱা দেখা যায়।

সত্ৰসমূহত দৈনিক পালিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খাদ্যাভাস, বাক্য-বচন, সাজ-পাৰ সাধাৰণ জীৱনতকৈ পৃথক। সত্ৰসমূহত দৈনন্দিন ভাৱে পালিত কাৰ্যসমূহেই হ'ল সত্ৰ সংস্কৃতি বা সত্ৰীয়া সংস্কৃতি। সত্ৰ বা সত্ৰীয়া পৰিৱেশত প্ৰচলিত ৰীতি-নীতি, সাজ-পাৰ, খাদ্যাভাস, গীত-নৃত্য, উৎসৱ-পাৰ্বন আদি কাৰ্যক সত্ৰীয়া সংস্কৃতিৰ অন্তৰ্গত বিষয় হিচাপে ধৰিব পাৰি। একোটা নিৰ্দিষ্ট পৰিৱেশত প্ৰচলিত কাৰ্যই নিৰ্দিষ্ট অনুষ্ঠানটোৰ সংস্কৃতিৰ ৰূপ লয়। সেয়ে সত্ৰত প্ৰচলিত কাৰ্য-কলাপসমূহকে সত্ৰীয়া সংস্কৃতি বুলি কোৱা হয়।

অসমৰ সকলো সত্ৰৰ মাজত সত্ৰীয়া সংস্কৃতিৰ সাদৃশ্য আছে যদিও সত্ৰ অনুসৰি কাৰ্য - কলাপৰ পৃথকতা থাকে। গঠন অনুযায়ীও এই পৃথকতা লক্ষ্য কৰিব পাৰি। সতেন্দ্ৰনাথ শৰ্মাই সত্ৰসমূহক প্ৰকৃতি অনুসৰি তিনিটা ভাগত ভাগ কৰিছে— (ক) উদাসীন, (খ) অৰ্ধ উদাসীন আৰু (গ) গৃহস্থী (পাটগিৰি ১৬)। এই তিনিধৰণৰ সত্ৰৰ মাজত প্ৰচলিত সংস্কৃতিসমূহ সমাজত প্ৰচলিত হৈ আছে। এই উদাস, অৰ্ধ উদাসীন আৰু গৃহস্থী সত্ৰসমূহৰ ভিতৰত আউনীআটী সত্ৰ (উদাস), গড়মূৰ সত্ৰ (গৃহস্থী) আৰু বৰপেটা সত্ৰ (অৰ্ধ উদাস সত্ৰ ) উল্লেখযোগ্য। প্ৰতিষ্ঠা হোৱাৰ সময়ৰে পৰা  আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ পৰিৱেশত বিভিন্ন সত্ৰীয়া গীত, নৃত্য, ভাওনা আদি সাংস্কৃতিক কৰ্ম পৰিৱেশন কৰি অহা হৈছে। ইয়াৰ উপৰি সত্ৰভেদে নিত্য-নৈমিত্তিক ৰীতি-নীতি, পৰম্পৰা, সত্ৰীয়া খাদ্যভাস, সাজপাৰ, আদি কাৰ্য এক সুকীয়া পৰম্পৰাৰে মানি আহিছে। শংকৰদেৱ মাধৱদেৱৰ দিনতে আৰম্ভ হোৱা সত্ৰীয়া পৰম্পৰা বৰ্তমান সময়লৈকে অসমৰ অন্যান্য সত্ৰৰ লগতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত প্ৰচলিত হোৱা দেখা যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত সমাজ ব্যৱস্থাত বহু পৰিৱৰ্তন হৈছে যদিও সত্ৰীয়া সংস্কৃতিৰ ৰীতি-নীতিত বিশেষ পৰিৱৰ্তন সত্ৰসমূহত দেখা পোৱা নাযায়। আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। সেয়েহে দীৰ্ঘদিনধৰি সত্ৰত পৰিৱেশিত হৈ থকা দৈনন্দিন ৰীতি-নীতি,পৰম্পৰা,সাংস্কৃতিক কাৰ্য-কলাপসমূহৰ বাস্তৱ সন্মত ভিত্তি মনকৰিবলগীয়া। সেয়ে বাস্তৱ সন্মত ভিত্তি থকা বাবেই সত্ৰসমূহ সমাজত প্ৰচলিত হৈ আহিছে।

ব্যক্তিভেদে মনৰ মাজত চিন্তাশীল এক প্ৰতিক্ৰিয়া থাকে। ফলত মানুহে যুগ যুগ ধৰি

বিভিন্ন দিশত বিশ্লেষণ আৰু অনুধাৱনৰ জৰিয়তে সমাজক উপকৃত কৰিবৰ বাবে প্ৰচেষ্টা চলাই আহিছে। যিকোনো বিষয়ৰ প্ৰকৃত ৰহস্য উদঘাটন কৰাৰ উদ্দেশ্যে কৰা অধ্যয়নেই বৈজ্ঞানিক অধ্যয়ন। এই পদ্ধতিৰ জৰিয়তে প্ৰকৃতিৰ ঘটনা-পৰিঘটনা, প্ৰাকৃতিক উপাদান আদিৰ বিশ্লেষণ কৰি সত্যৰ অনুসন্ধান কৰা হয়। অৱশ্যে বিজ্ঞানে নিৰ্দিষ্ট একোটা বিষয়ক সত্য বুলি প্ৰতিষ্ঠা নকৰে। সময়ৰ লগে লগে প্ৰামাণিক শুদ্ধতা নতুন ৰূপত ধৰা দিব পাৰে । সেয়ে বিজ্ঞানক এক গতিশীল প্ৰক্ৰিয়া বুলিব পাৰি। বিজ্ঞান হ'ল জ্ঞান অৰ্জনৰ এক ধাৰা। বিজ্ঞান পাৰ্থিৱ আৰু যুক্তিনিৰ্ভৰশীল। আৱেগ, অনুভূতি, কল্পনাৰ স্থান বিজ্ঞানত নাই। সকলো ব্যক্তিয়ে জ্ঞাতে বা অজ্ঞাতে মনৰ মাজত এক বিজ্ঞান লৈ ঘূৰি ফুৰে। জীৱনৰ যিকোনো বস্তুক বিশ্লেষণেৰে চাবলৈ যত্ন কৰে সেয়াই বিজ্ঞান। অৰ্থাৎ বিশ্লেষণাত্মক জ্ঞানেই হ'ল বিজ্ঞান। প্ৰকৃততে বিজ্ঞান বা বৈজ্ঞানিক দৃষ্টিভংগী, বিজ্ঞান মানসিকতা, বিজ্ঞান মনস্কতা এই শব্দবোৰে বিশ্লেষণাত্মক জ্ঞানক বুজায়। বৈজ্ঞানিক দৃষ্টিভংগী সাধাৰণতে এনে এক দৃষ্টিভংগী য'ত থাকে মুকলি মন আৰু বাস্তৱতা। আনুষ্ঠানিক বিজ্ঞান শিক্ষাৰে শিক্ষিত হ'লেই বিজ্ঞান মানকিতাৰ লগত বা বৈজ্ঞানিক দৃষ্টিভংগী থাকিব বুলি ক'ব নোৱাৰি। প্ৰতিটো বস্তুৰ সময় উপযোগী আৰু প্ৰকৃত সত্য উদ্‌ঘাটন বা ব্যৱহাৰৰ উপযোগিতাৰ সম্পৰ্কে জানিবলৈ কৰা প্ৰচেষ্টাকে বৈজ্ঞানিক দৃষ্টিভংগী বুলি কোৱা হয়।

বিজ্ঞান মানে হ'ল যিটো সঁচা, যি যুক্তিপূৰ্ণ, যি আৱেগ অনুভূতিৰ উৰ্ধত গৱেষণা আৰু অভিজ্ঞতাৰ দ্বাৰা প্ৰমাণিত আৰু পক্ষপাত মুক্ত। আনহাতে যুক্তিনিষ্ঠ আৰু পদ্ধতিগতভাৱে গৱেষণাগাৰত বা অভিজ্ঞতাৰে অধ্যয়ন কৰা প্ৰক্ৰিয়াই এক প্ৰকাৰৰ বিজ্ঞান। বাস্তৱ জীৱনৰ সকলো ৰীতি-নীতি, কাম-কাজতে বৈজ্ঞানিক দৃষ্টিভংগীৰ সহায়ত বিচাৰ বিশ্লেষণ কৰিব পাৰি। বৈজ্ঞানিক দৃষ্টিভংগী কেৱল যুক্তি আৰু ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। সকলো কাম-কাজক যুক্তিৰে বিশ্লেষণ কৰি সত্যাসত্য প্ৰতিপন্ন কৰা দৃষ্টিভংগীকে বৈজ্ঞানিক দৃষ্টিভংগী বুলিব পাৰি। "বিজ্ঞান এক উচ্চ পৰ্যায়ৰ সৃজনীমূলক কৰ্ম আৰু তেনে কৰ্ম হিচাপে কলা-সাহিত্যৰ লগত বিজ্ঞানৰ এক নিবিড় সম্বন্ধ থাকিবই লাগিব। তেওঁলোকে জানিও নাজানিব খোজে যে বিজ্ঞান কেতবোৰ যন্ত্ৰপাতি, গণিত আৰু তথ্যৰ সমাহাৰ নহয়, নহয় কল্পনা আৰু অনুভূতিশূন্য এখন দিকচৌ বনৰ প্ৰতিনিধি। কবিয়ে যিদৰে কবিতা ৰচনাৰ ক্ষেত্ৰত কল্পনাৰ আশ্ৰয় গ্ৰহণ কৰে, বিজ্ঞানীয়েও তেনেদৰে কিছুমান

তত্ত্ব সৃষ্টিৰ বাবে কল্পনাৰ সহায় লয়। অৱশ্যে কলাৰ সাধকে কৰাৰ বিপৰীতে বিজ্ঞানীয়ে কল্পনাক বাস্তৱৰ সৈতে খাপ খুৱাই আগবঢ়াৰ প্ৰচেষ্টাতহে গুৰুত্ব দিয়ে "(ৰ. গোস্বামী ৩১)।

সমাজৰ সকলো ব্যক্তিয়ে যিকোনো কাম-কাজ কৰোঁতে কামৰ মাজত নজনাকৈয়ে এক দৃষ্টিভংগী নিহিত হৈ থাকে। প্ৰকৃত ৰূপ পোহৰলৈ নহাকৈয়ে মানুহে তেনে কাম কাজক সমৰ্থন কৰে বা আকোঁৱালি লয়। সমাজত প্ৰচলিত তেনে কাম-কাজৰ বিশ্লেষণ কৰি সত্যাসত্য দাঙি ধৰাৰ কাম বৈজ্ঞানিক দৃষ্টিভংগীয়ে কৰে। অৱশ্যে বিজ্ঞানে ধাৰাবাহিকতাত গুৰুত্ব দিয়ে। পৰম্পৰাগত কাম-কাজে নতুনত্ব সন্ধানৰ পৰা বিৰত ৰাখে। জ্ঞান অৰ্জন বিজ্ঞানৰ প্ৰধান উদ্দেশ্য যদিও তাৰ মুখ্য লক্ষ্য মানৱতা বিকাশ কৰা। বিশ্বৰ বিভিন্ন দেশত সময়ৰ লগে লগে শিক্ষা, ব্যৱহাৰিক কাৰ্য আদি দ্ৰুত গতিত সলনি হৈছে। উচ্চস্তৰীয়া পৰীক্ষা-নিৰীক্ষা, গৱেষণা আদি কৰা হৈছে। তাৰ প্ৰধান লক্ষ্য মানৱতা বিকাশ। সময়ৰ লগে লগে পৰম্পৰাৰ পেলনীয়া অংশক বাদ দি নতুন দৃষ্টিভংগীৰ জৰিয়তেহে মানৱতা বিকাশ সম্ভৱ। বৈজ্ঞানিক দৃষ্টিভংগীয়ে যুক্তিৰ সহায়ত তেনে পৰম্পৰাক বিচাৰ কৰি উপযুক্ত খিনি গ্ৰহণ কৰা দেখা যায়।

বৈজ্ঞানিক পদ্ধতিৰে জ্ঞান অৰ্জনৰ প্ৰক্ৰিয়াটো এক গতিশীল প্ৰক্ৰিয়া। একোটা নিৰ্দিষ্ট সময়ৰ জ্ঞানেই পৰৱৰ্তী সময়ত শ্ৰেষ্ঠ হ'ব; বিজ্ঞান অধ্যয়নে তেনে পোষকতা নকৰে। বৈজ্ঞানিক অধ্যয়নে পূৰ্বনিধাৰিত জ্ঞানৰ ধাৰাবাহিক বিকাশৰহে পোষকতা কৰে। প্ৰয়োজনত পৰৱৰ্তী সময়ত পূৰ্ব নিৰ্দ্ধাৰিত জ্ঞান ভুল বুলি প্ৰমাণিত হ'ব পাৰে। সেই সত্যক স্বীকাৰ কৰাটোৱে বৈজ্ঞানিক দৃষ্টিভংগী। অৱশ্যে বিজ্ঞান কেৱল গৱেষণাগাৰতে নাথাকে। দৈনন্দিন সমাজত ব্যৱহৃত ব্যৱহাৰিক দিশত বৈজ্ঞানিক দৃষ্টিভংগী প্ৰয়োগ দেখা পোৱা যায়। গৃহ নিৰ্মাণৰ পৰা সা-সজুলি তৈয়াৰ কৰা, কৃষি পদ্ধতি, খাদ্যাভাস আদিয়ে তাৰ পৰিচয় দিয়ে। "লিখিত ৰূপটো পোৱাৰ আগতেও অসমীয়া ভাষাত বিজ্ঞানৰ জ্ঞান আৰু তথ্য প্ৰকাশৰ ধাৰা এটা বৈ আছিল। খ্ৰীষ্ট্ৰীয় চতুৰ্থ আৰু ষষ্ঠ শতিকাৰ মাজৰ কালছোৱাত সৃষ্টি হোৱা বুলি অনুমান কৰা ডাকৰ বচনবোৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় বহুতো জ্ঞানৰ ভঁৰাল আছিল। ৰোগ, স্বাস্থ্য, কৃষি, সন্তান পালন, পোৱঁতীৰ যত্ন, গৃহ-নিৰ্মাণ, আদি দৈনন্দিন জীৱনৰ সকলো দিশ বৈজ্ঞানিক চিন্তাৰে সামৰি লোৱা ডাকৰ বচনসমূহে এফালে ভাষাটোৰ প্ৰকাশ প্ৰামাণ্য নিদৰ্শন দাঙি ধৰিছিল আৰু আনফালে সমাজৰ বৈজ্ঞানিক দৃষ্টি-দৰ্শনো প্ৰতিফলিত কৰিছিল"(ভূএগ্ৰা ৩৬২)।

যুক্তি, ভিত্তি, সত্য,অনুসন্ধান, বিশ্লেষণ এই কেইটা দিশ বিজ্ঞান দৃষ্টিভংগীত জড়িত হৈ থাকে। যিকোনো বিষয়ৰ প্ৰকৃত স্বৰূপ তুলি ধৰাৰ যত্ন বিজ্ঞানে কৰে। এই স্বৰূপ নিৰূপন কৰিবলৈ যাওঁতে বিজ্ঞানে বিষয়টোৰ সম্পৰ্কে অনুসন্ধান কৰিব লগা হয়। বিষয়বস্তু সম্পৰ্কে থকা বিভিন্ন কাৰ্যৰ যুক্তিসমূহ আৰু বিষয়বস্তুৰ ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰিহে সত্যানুসত্য বিশ্লেষণ কৰে। অনুসন্ধিৎসু মনতহে বিজ্ঞান মানসিকতা গঢ়ি উঠে। যিকোনো বিষয় কিয় হৈছে, প্ৰকৃত কাৰণ কি, এনেবোৰ ৰহস্যৰ অনুসন্ধানৰ জৰিয়তে বিষয়বস্তুৰ প্ৰকৃত স্বৰূপত উপৰিষ্ঠ হ'ব পাৰি। বিজ্ঞান মানসিকতা বা বৈজ্ঞানিক দৃষ্টিভংগীৰ অধ্যয়নত বিশেষভাৱে কাৰ্য কৰণীয় দিশ হ'ল—পৰ্যবেক্ষণ। বিষয়বস্তু এটাৰ সম্পৰ্কে পৰ্যবেক্ষণে মনলৈ বিভিন্ন প্ৰশ্নৰ অৱতাৰণা আনি দিয়ে। তেনে প্ৰশ্নৰ অনুসন্ধান কৰিয়ে নিৰ্দিষ্ট স্থানত উপনীত হ'ব পাৰি। সেয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰ অধ্যয়নত পৰ্যবেক্ষণ এক গুৰুত্বপূৰ্ণ দিশ।

নিৰপেক্ষতাত বৈজ্ঞানিক দৃষ্টিভংগীয়ে গুৰুত্ব দিয়ে। যিকোনো বিষয় পৰ্যৱেক্ষণৰ পাছত পোৱা তথ্যক শুদ্ধ আৰু সত্যৰূপত দাঙি ধৰা বৈজ্ঞানিক দৃষ্টিভংগীৰ আন এক কৰ্তব্য। বৈজ্ঞানিক দৃষ্টিভংগীয়ে আৱেগ অনুভূতিৰ পৰিৱৰ্তে বাস্তৱতাক দাঙি ধৰাৰ যত্ন কৰে। বৈজ্ঞানিক দৃষ্টিভংগী যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। অৱশ্যে প্ৰমাণিক যুক্তিকহে প্ৰাধান্য দিয়ে। যুক্তিসমূহক মূল্যাংকন কৰি শুদ্ধ ৰূপত উপস্থাপন কৰা বৈজ্ঞানিক দৃষ্টিভংগীৰ আন এক বিশেষত্ব। পূৰ্ব নিধাৰিত যিকোনো তথ্যকে বৈজ্ঞানিক দৃষ্টিভংগীয়ে পুনৰ যুক্তিৰে বিচাৰ কৰি সত্যত উপনীত কৰাৰ যত্ন কৰে। সেয়ে বহুসময়ত পূৰ্ব নিদ্ধাৰিত তথ্যৰ ধাৰণা সলনি হয়। নিজস্ব আৱেগ-অনুভূতি বা বিশ্বাসৰ বিপৰীতে তথ্য আৰু যুক্তিক প্ৰাধান্য দিয়া সকলোবোৰ ঘটনা মুক্তমনেৰে নিৰপেক্ষ ভাৱে বিশ্লেষণ কৰা পদ্ধতিগত অধ্যয়নে হ'ল বৈজ্ঞানিক দৃষ্টিভংগী। বৈজ্ঞানিক মানসিকতাৰ লগত জড়িত হৈ আছে অনুসন্ধিৎসা আৰু বুদ্ধি মত্তা। অনুসন্ধিৎসাই মনত কি, কিয়, কেনেকৈ—এই প্ৰশ্নবোৰ জগাই তোলে আৰু গঢ়ি উঠে এটা বিশ্লেষণাত্মক দৃষ্টিভংগী। এই বিশ্লেষণাত্মক দৃষ্টিভংগীয়েই হৈছে বৈজ্ঞানিক মানসিকতা।যিকোনো কাৰ্য বা পৰিঘটনা স্পষ্টকৈ প্ৰকৃত কাৰণ যুক্তি আৰু প্ৰমাণৰ দ্বাৰা বিশ্লেষণ কৰি শুদ্ধ সিদ্ধান্ত কৰিব পৰাকে বিজ্ঞান মানসিকতা বা বৈজ্ঞানিক দৃষ্টিভংগী বোলা হয়। সাম্প্ৰতিক সমাজ ব্যৱস্থাত আউনীআটীসত্ৰ , গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰম্পৰাগতভাৱে

সত্ৰীয়া সংস্কৃতি চৰ্চা কৰি থকাটো এক উল্লেখযোগ্য দিশ। আধুনিক শিক্ষিত সমাজ ব্যৱস্থাত তথা সত্ৰসমূহত পৰম্পৰাগতভাৱে সত্ৰীয়া সংস্কৃতি চৰ্চা কৰি থকা দেখা যায়। সত্ৰকেইখনৰ দৈনন্দিন ৰীতি-পৰম্পৰা বৰ্তমান প্ৰেক্ষাপটত প্ৰচলিত হৈ থকা দিশটো মন কৰিবলগীয়া। আনহাতে আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰিৱেশিত হৈ থকা গীত-নৃত্য-নাট্যৰ পৰম্পৰা, ব্যৱহাৰিক দিশসমূহক সাম্প্ৰতিক অসমৰ সমাজ ব্যৱস্থাত প্ৰাধান্য দিয়া পৰিলক্ষিত হয়। সেয়ে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত চৰ্চা হৈ থকা সংস্কৃতিৰ ব্যৱহাৰিক গুৰুত্ব সম্পৰ্কে অধ্যয়নৰ বাবে **বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক বিষয়টো এই প্ৰস্তাৱিত গৱেষণাত প্ৰণালীবদ্ধভাৱে বিচাৰ বিশ্লেষণ কৰা হ'ব।

### ০.২ অধ্যয়নৰ উদ্দেশ্য

**বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক এই প্ৰস্তাৱিত গৱেষণা কাৰ্যৰ উদ্দেশ্য হ'ল—

- অসমত সত্ৰ প্ৰতিষ্ঠাৰ এক আভাস, সত্ৰ সংস্কৃতিৰ পৰিচয়, সত্ৰৰ গঠন প্ৰণালী সম্পৰ্কে অধ্যয়ন কৰা । উদাস,অৰ্ধউদাস, গৃহস্থী এই তিনিধৰণৰ সত্ৰৰ সংস্কৃতি সম্পৰ্কে এক ধাৰণা স্পষ্ট ৰূপত প্ৰতিফলন ঘটোৱা।
- সত্ৰত পৰিৱেশিত সংস্কৃতিসমূহ কেৱল ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সৃষ্টি কৰা হৈছিল নে তাৰ মাজত অন্তনিৰ্হিত অন্য অৰ্থ জড়িত আছে সেই সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰা।
- এই অধ্যয়নত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত প্ৰচলিত দৈনন্দিন কাৰ্য-কলাপসমূহৰ বৈজ্ঞানিক ভিত্তি সম্পৰ্কে আলোচনা কৰা।
- সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত খাদ্যভাস, সাজ-পাৰ, ৰীতি-নীতি আদিয়ে সাধাৰণ জীৱন যাপনতকৈ পৃথকতাৰ পৰিচয় দিয়ে। এই পৃথকতাৰ অন্তৰালত কেৱল সত্ৰৰ পৰিৱেশ নে আধ্যাত্মিক দৰ্শন জড়িত সেই সম্পৰ্কে বিচাৰ কৰাৰ লগতে ব্যৱহাৰিকতাৰ বিশ্লেষণ দাঙি ধৰা।

- আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ সাংস্কৃতিক কাৰ্যসমূহ বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰা। অসমৰ আৰ্থসামাজিক ক্ষেত্ৰত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ ভূমিকা সম্পৰ্কে পুংখানুপুংখ অধ্যয়ন কৰা।
- সাম্প্ৰতিক সময়ত অসমৰ সমাজ ব্যৱস্থাৰ পৰিপেক্ষিতত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰম্পৰাগতভাৱে প্ৰচলিত সংস্কৃতিৰ বহনক্ষমতা আৰু গুৰুত্ব সম্পৰ্কে বিচাৰ কৰা অধ্যয়নৰ আন এক উদ্দেশ্য।
- অধ্যয়নাকৃত তিনিওখন সত্ৰৰ প্ৰেক্ষাপটত সত্ৰসমূহৰ ভূমিকাৰ বস্তুনিষ্ঠ বিশ্লেষণ তথা সত্ৰসংস্কৃতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰি ৰখাৰ পৰিক্ৰমাত সত্ৰসমূহে ল'ব পৰা ভূমিকা আৰু কাৰ্যপন্থা বিচাৰ কৰা।

## ০.৩ অধ্যয়নৰ পদ্ধতি

**বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক এই প্ৰস্তাৱিত গৱেষণাৰ বাবে মুলতঃ তিনিখন সত্ৰক লোৱা হৈছে। সত্ৰৰ সকলো কাৰ্যক অধ্যয়ন কৰি গৱেষণাৰ প্ৰয়োজনীয় দিশ আহৰণ কৰা হ'ব।

অধ্যয়নৰ পদ্ধতি হিচাপে প্ৰধানতঃ বিশ্লেষণাত্মক পদ্ধতি অনুসৰণ কৰা হ'ব। অৱশ্যে অধ্যয়নৰ প্ৰয়োজনীয়তা অনুসৰি ঐতিহাসিক, বৰ্ণনাত্মক, আৰু সমীক্ষাত্মক ভাৱে পুংখানুপুংখ আলোচনা কৰা হ'ব। প্ৰয়োজন অনুসৰি তুলনামূলক পদ্ধতিও ব্যৱহাৰ কৰা হ'ব।

## ০.৪ পূৰ্বকৃত অধ্যয়নৰ খতিয়ান

সত্ৰ সম্পৰ্কীয় বিষয়ত এতিয়ালৈকে ভালেসংখ্যক গ্ৰন্থ, গৱেষণা গ্ৰন্থ, স্মৃতি গ্ৰন্থ প্ৰকাশ পোৱাৰ উপৰিও বাতৰি কাকত, আলোচনীত প্ৰবন্ধ প্ৰকাশ পাই আহিছে। প্ৰকাশিত গ্ৰন্থসমূহে সত্ৰসম্পৰ্কে এক পৰিচয় দিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত কমল দত্তই ৰচনা কৰা— **মাজুলীৰ সত্ৰ পৰিচয়** (২০০৭) গ্ৰন্থত মাজুলীৰ সত্ৰকেইখনৰ পৰিচয়, স্থাপন, বৰ্তমান সত্ৰাধিকাৰ সকলৰ

নাম আৰু সত্ৰকেইখনৰ প্ৰধান উৎসৱৰ বিষয়ে উল্লেখ আছে। কেশৰ কাকতি আৰু অনন্ত কলিতাৰ **মাজুলীৰ মুখ্য সত্ৰসমূহৰ ইতিবৃত্ত** (২০১০), পীতাম্বৰ দেৱগোস্বামীৰ—**সত্ৰীয়া উৎসৱ পৰিচয় আৰু তাৎপৰ্য** (২০০১) গ্ৰন্থখন গৱেষণামূলক গ্ৰন্থ। গ্ৰন্থখনত কেৱল সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু পালনৰ ৰীতিৰ বিষয়ে উল্লেখ আছে। অৱশ্যে গ্ৰন্থখনত কিছু কিছু অংশত আধ্যাত্মিক তাৎপৰ্য সম্পৰ্কে উল্লেখ কৰিছে। মাজে মাজে সংহতি অনুযায়ী ৰীতি-নীতি পাৰ্থক্যৰ কথাও উল্লেখ কৰা দেখা যায়। কেশৰ কাকতিৰ **ইতিহাস পৰিক্ৰমাত শ্ৰী শ্ৰী আউনীআটী সত্ৰ** (২০১০) গ্ৰন্থখনত আউনীআটী সত্ৰৰ অৱস্থিতি, সত্ৰ প্ৰতিষ্ঠাৰ কাল, সত্ৰৰ নামৰ উৎপত্তি, সত্ৰৰ শিক্ষা-ব্যৱস্থা , সত্ৰৰ প্ৰশাসনিক, সত্ৰীয়া ৰীতি-নীতি, সত্ৰৰ নামঘৰ, মণিকূট, চাউল ভঁৰাল, ধন ভঁৰাল আৰু সত্ৰৰ উৎসৱ সম্পৰ্কে বৰ্ণনা ক্ৰমিক হিচাপে উল্লেখ আছে। সত্ৰখনৰ সম্পৰ্কে এক সাম্যক জ্ঞান পাব পৰা এখন উল্লেখযোগ্য গ্ৰন্থ। নাৰায়ণচন্দ্ৰ গোস্বামীৰ **সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা** (১৯৮৪) গ্ৰন্থখন সত্ৰীয়া সংস্কৃতিৰ সম্পৰ্কে উল্লেখ থকা গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থ। সত্ৰীয়া সংস্কৃতিৰ ৰীতি-নীতি, পৰম্পৰা, সংস্কৃতিৰ বিষয়ে বিৱৰণ গ্ৰন্থখনত আছে। গ্ৰন্থখনত পূজা-পাতল, নীতি-সদাচাৰৰ পৰা পৰিৱেশন শৈলী, আধ্যাত্মিক অৰ্থও গ্ৰন্থখনত সন্নিৱিষ্ট আছে। জগন্নাথ পাটগিৰিৰ সম্পাদনা কৰা— **অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰৰ ইতিবৃত্ত** (১৯৯১) গ্ৰন্থখনত এটা অধ্যায়ত কেৱল গোৱালপাৰা জিলাৰ সত্ৰ সংস্কৃতিৰ পৰিচয় দাঙি ধৰা আছে। অৰুণ কুমাৰ গোস্বামীৰ সম্পাদনাত— **সত্ৰ সুবাস** (২০১৮) গ্ৰন্থখন আউনীসত্ৰৰ প্ৰকাশনৰ পৰা প্ৰকাশ কৰা গ্ৰন্থখনত সত্ৰ সংস্কৃতিৰ আধ্যাত্মিক দিশ, ভাওনা, নাম আদিৰ তাৎপৰ্যৰ সম্পৰ্কে উল্লেখ আছে। সম্পাদনা গ্ৰন্থ যদিও সত্ৰ পৰম্পৰাৰ লগত জড়িত গুৰুত্বপূৰ্ণ দিশবোৰ গ্ৰন্থখনত পোৱা যায়। কেশৱা নন্দ গোস্বামীৰ —**সত্ৰ-সংস্কৃতিৰ ৰূপ ৰেখা** (১৯৭৩) গ্ৰন্থখনত সত্ৰীয়া সংস্কৃতিৰ সম্পৰ্কে এক আভাস দাঙি ধৰা দেখা যায়। গ্ৰন্থখনত বিশেষকৈ সত্ৰীয়া পৰিৱেশ্য কলাৰ বিষয়েহে তুলি ধৰা দেখা যায়। নিৰুপমা মহন্তৰ —**সত্ৰ সংস্কৃতিৰ ৰূপছাঁয়া ঃ আচাৰ-ৰীতি আৰু উৎসৱ-অনুষ্ঠান** গ্ৰন্থখন কেৱল পুৰুষ সংহতি সত্ৰসমূহৰ সংস্কৃতি পৰম্পৰাৰ বিষয়ে বিশ্লেষণ দাঙি ধৰিছে। তিলক চন্দ্ৰ মজুমদাৰৰ —**সত্ৰ দৰ্পণ** (২০০৫) গ্ৰন্থখন মূলত লেখকৰ গৱেষণা গ্ৰন্থ। গ্ৰন্থখনত কেৱল নগাঁও জিলাৰ সত্ৰসমূহকহে বিশেষ হিচাপে তুলি ধৰিছে। গ্ৰন্থখনত কেৱল নগাঁও জিলাৰ সত্ৰৰ পৰিচয় পৰম্পৰা আৰু সংস্কৃতিৰ

পৰিচয়হে তুলি ধৰা দেখা যায়। তাৰোপৰি গুৱাহাটী বিশ্বাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়ত পি.এইচ.ডি উপাধিৰ বাবে কেইখনমান গৱেষণামূলক গ্ৰন্থ প্ৰস্তুত হৈছে। তাৰে ভিতৰত পীতাম্বৰ দেৱ গোস্বামীৰ অসমৰ সত্ৰীয়া উৎসৱ-অনুষ্ঠান আৰু ই-বিলাকৰ তাৎপৰ্য বিচাৰ, কুসুম্বৰ বৰুৱাৰ **মাজুলী অঞ্চলৰ লোক-সাহিত্য আৰু সংস্কৃতি ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন** (২০০৫), বাণী বৰাৰ **মাজুলীৰ সত্ৰানুষ্ঠান ঃ এক সামাজিক সাংস্কৃতিক অধ্যয়ন**(২০১৩), অৰুণিমা দাসৰ **মাজুলীৰ সামাজিক -সাংস্কৃতিক জীৱনত বৈষ্ণৱ সত্ৰসমূহৰ ভূমিকা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন** (২০১৫) আদি উল্লেখযোগ্য। উল্লিখিত গ্ৰন্থসমূহত সত্ৰসম্পৰ্কীয় পৰিচয়হে পোৱা যায়। বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰ পৰম্পৰা বা সংস্কৃতিৰ অধ্যয়ন পোৱা নাযায়।

**০.৫ অধ্যয়নৰ গুৰুত্ব**

পূৰ্বকৃত অধ্যয়নত উল্লেখ কৰা হৈছে যে সত্ৰৰ বিভিন্ন দিশক লৈ ইতিমধ্যে ভালে সংখ্যক গ্ৰন্থ ৰচনা হৈছে। প্ৰকাশিত গ্ৰন্থসমূহ বেছিভাগেই সত্ৰীয়া সংস্কৃতিৰ পৰিচয়, সত্ৰৰ সমাজ ব্যৱস্থা,ৰীতি-নীতি আদি সম্পৰ্কে গুৰুত্ব দিয়া দেখা গৈছে। এই গ্ৰন্থসমূহৰ যোগেদি সত্ৰ সংস্কৃতিৰ অন্তৰ্গত গীত-নৃত্য, ৰীতি-নীতি, উৎসৱ পাৰ্বন, আচাৰ-ব্যৱহাৰ সম্পৰ্কে এটা পৰিচয় পাব পাৰি। শংকৰদেৱ বা তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে পাঁচশ বছৰতকৈ আগতে প্ৰতিষ্ঠা কৰা সত্ৰসমূহে অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখনত এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছে।

একোটা সংস্কৃতি একোটা জাতি বা এখন দেশৰ পৰিচায়ক। অসমত সত্ৰ প্ৰতিষ্ঠা হোৱাৰে পৰা সত্ৰ-সংস্কৃতিয়ে অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বৰ্তমান অসমত বহু সংখ্যক সত্ৰ আছে। সত্ৰসমূহে নৈতিক পালন কৰা ৰীতি-নীতি, সাংস্কৃতিক কাৰ্যসমূহ বৰ্তমানো পৰিৱেশন কৰি থকা দেখা যায়। সাম্প্ৰতিক সময়ত আধুনিক জীৱনচৰ্যাৰ পৰিৱৰ্তেও সত্ৰৰ নীতি-নিয়মৰ মাজেৰে ভকতসকলে জীৱন যাপন কৰা দেখা পোৱা যায়। এইসমূহ আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ আদিকে কেন্দ্ৰ কৰি অসমৰ অনান্য সত্ৰটো বৰ্তমানো প্ৰচলিত হৈ থকাৰ অন্তৰালত কেৱল ঈশ্বৰৰ বিশ্বাস, পৰম্পৰা নে ইয়াৰ মাজত নিৰ্হিত হৈ আছে বৈজ্ঞানিক দৃষ্টিভংগী। এই সম্পৰ্কে বৰ্তমানলৈকে কোনো অধ্যয়নৰ তথ্য পোৱা নাযায়।

সত্ৰীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত অসমৰ সকলোবোৰ সত্ৰৰ অৰিহণা আছে। অসমত গঠন অনুযায়ী তিনি ধৰণৰ সত্ৰ পোৱা যায়—উদাস, অৰ্ধউদাস আৰু গৃহস্থী। এই তিনি ধৰণৰ সত্ৰক মূল হিচাপে লৈ গৱেষণা কৰা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিষয়ে বৰ্তমানলৈ এই তিনিটা ভাগৰ সত্ৰৰ অধ্যয়ন হোৱা নাই। সেয়ে অসমৰ সমাজ ব্যৱস্থাক প্ৰভাৱিত কৰি থকা সত্ৰীয়া সংস্কৃতিৰ বৰ্তমানলৈকে অনা-চৰ্চিত হৈ ৰৈ যোৱা বিষয় সম্পৰ্কে গৱেষণা কৰাৰ প্ৰয়োজনবোধ কৰা হৈছে। সাম্প্ৰতিক সময়ত বৈজ্ঞানিক দৃষ্টিকোণেৰে পৰিৱেশিত সমাজ ব্যৱস্থাত সত্ৰীয়া সংস্কৃতিৰ গুৰুত্ব বা প্ৰসাৰ তথা উদাসীন, অৰ্ধউদাসীন আৰু গৃহস্থী সত্ৰই পৰম্পৰাগত ভাৱে পালন কৰি অহা সত্ৰ সংস্কৃতিসমূহৰ বাস্তৱ যুক্তিযুক্ততা আদিৰ অধ্যয়নৰ বাবেই প্ৰস্তাৱিত বিষয়টোৰ গুৰুত্ব আৰু প্ৰাসংগিকতা আছে।

## ০.৬ অধ্যয়নৰ পৰিকল্পনা আৰু তথ্য উৎস

**বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক এই প্ৰস্তাৱিত গৱেষণাৰ বাবে মূখ্য উৎস হিচাপে উদাস, অৰ্ধউদাস আৰু গৃহস্থী এই তিনিটাভাগৰ সত্ৰত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হ'ব। তাৰ ভিতৰত মূখ্য সত্ৰ হিচাপে উদাস সত্ৰ— মাজুলীৰ আউনীআটী সত্ৰ, অৰ্ধউদাস সত্ৰ হিচাপে— বৰপেটাৰ বৰপেটা সত্ৰ আৰু গৃহস্থী সত্ৰ হিচাপে—মাজুলীৰ গড়মূৰ সত্ৰত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হ'ব। গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকত, সাক্ষাৎকাৰ আদিৰ পৰাও তথ্য গ্ৰহণ কৰা হ'ব। গ্ৰন্থসমূহৰ উৎস হিচাপে পুথিভঁৰালৰ সহায় লোৱা হ'ব।

গৱেষণা বিষয়টি অধ্যয়নৰ ক্ষেত্ৰত পৰিকল্পনা কৰা হৈছে যে অৱতৰণিকাৰ পৰা উপসংহাৰলৈকে মুঠ সাতটা অধ্যায়ত বিষয়বস্তু বিভাজন কৰি অধ্যয়ন কৰা হ'ব। অৱতৰণিকা অধ্যায়ত বিষয়ৰ পৰিচয়, অধ্যয়নৰ পদ্ধতি, অধ্যয়নৰ গুৰুত্ব, পূৰ্বকৃত অধ্যয়নৰ খতিয়ান, অধ্যয়নৰ উদ্দেশ্য, অধ্যয়নৰ তথ্যৰ উৎস আদি উল্লেখ কৰা হ'ব। এই অধ্যায়ত গৱেষণাকৰ্মৰ বিষয়ে স্পষ্ট ধাৰণা দিবলৈ যত্ন কৰা হ'ব। প্ৰথম অধ্যায়ত সত্ৰৰ স্বৰূপ, সত্ৰৰ উৎপত্তি,বিকাশ সম্পৰ্কে ধাৰণা দিয়া হ'ব। যাতে মূল বিষয় প্ৰৱেশ কৰোতে সত্ৰ সম্পৰ্কে এক ধাৰণা গ্ৰহণ কৰিব পাৰি। দ্বিতীয় অধ্যায়ত সত্ৰৰ দৈনন্দিন কাৰ্যত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে বিশ্লেষণ কৰা হ'ব। এই অধ্যায়ত

নিত্য পালিত কৰ্মত বৈজ্ঞানিক দৃষ্টিভংগী, লোকজীৱনৰ সাজপাৰত বৈজ্ঞানিক দৃষ্টিভংগী, সত্ৰীয়া খাদ্যাভ্যাসত বৈজ্ঞানিক দৃষ্টিভংগী আৰু সত্ৰীয়া বাক্য বচনত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে বিশ্লেষণ দাঙি ধৰা হ'ব। তৃতীয় অধ্যায়ত সত্ৰীয়া সাংস্কৃতিক কৰ্মত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হ'ব। এই অধ্যায়ত বিশেষকৈ সত্ৰীয়া গীত, নৃত্য, নাট, ভাস্কৰ্য-কলা, উৎসৱ -পাৰ্বন আদিৰ বিষয়ে আলোচনা কৰা হ'ব। চতুৰ্থ অধ্যায়ত অসমৰ সমাজ ব্যৱস্থাত সত্ৰীয়া সংস্কৃতিৰ অৰ্থসামাজিক দৃষ্টিকোণ সম্পৰ্কে অধ্যয়ন কৰা হ'ব। পঞ্চম অধ্যায়ত সাম্প্ৰতিক সময়ত অসমৰ সমাজ ব্যৱস্থাত সত্ৰীয়া সংস্কৃতিৰ বহনক্ষমতা গুৰুত্ব আৰু ভৱিষৎ সম্ভাৱনা সম্পৰ্কে অধ্যয়ন কৰা হ'ব। ষষ্ঠ অধ্যায়ত অধ্যয়নৰ অন্তত পোৱা সিদ্ধান্তসমূহ দাঙি ধৰা হ'ব লগতে গ্ৰন্থপঞ্জী আৰু আনুষঙ্গিক দিশবোৰ সামৰি লোৱা হ'ব। এই অধ্যয়নৰ দ্বাৰা অসমৰ আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ সত্ৰ-সংস্কৃতিক এক নতুন দৃষ্টিভংগীৰে চোৱাৰ পৰিৱেশ গঢ়ি উঠিব বুলি ধাৰণা কৰিব পাৰি।

### ০.৭ অধ্যয়নৰ পৰিসৰ

**বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক এই প্ৰস্তাৱিত গৱেষণা বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত অধ্যয়নৰ সুবিধা অনুসৰি পৰিসৰ নিধাৰণ কৰি লোৱা হৈছে। অসমত বৰ্তমান বহু **শ শ** সত্ৰ আছে। কিন্তু নিৰ্দিষ্ট সময়ত সকলো সত্ৰ সামৰি অধ্যয়ন কৰাটো সম্ভৱ নহয়। সেয়ে প্ৰস্তাৱিত গৱেষণাত সত্ৰৰ উদাস,অৰ্ধউদাস, গৃহস্থী সত্ৰৰ একোখনকৈ সত্ৰক বিশেষ হিচাপে লৈ গৱেষণা কৰা হ'ব। উদাস সত্ৰৰ ভিতৰত মাজুলীৰ আউনীআটী সত্ৰ, অৰ্ধ উদাস সত্ৰ হিচাবে বৰপেটাৰ বৰপেটা সত্ৰ আৰু গৃহস্থী সত্ৰ হিচাপে মাজুলীৰ গড়মূৰ সত্ৰক অধ্যয়নৰ পৰিসৰত ৰখা হৈছে। উল্লেখযোগ্য যে এই তিনিখন সত্ৰৰো কেইবাখনো শাখা সত্ৰ আছে। গতিকে নিৰ্দিষ্ট সময়ৰ ভিতৰত সত্ৰকেইখনৰ সকলো শাখা সত্ৰক লৈ অধ্যয়ন কৰাটো সম্ভৱ নহয় সেয়েহে কেৱল মুখ্য সত্ৰ তিনিখনকহে অধ্যয়নৰ পৰিসৰত ৰখা হ'ব। উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰৰ ভিতৰত আউনীআটী, গড়মূৰ আৰু বৰপেটা সত্ৰক বিশেষভাৱে লোৱাৰ কাৰণ হ'ল অসমত থকা বিভিন্ন

উদাসীন সত্ৰসমূহৰ ভিতৰত আউনীআটী সত্ৰতে বৰ্তমান ভকতৰ সংখ্যা বেছি দেখা যায়। আনহাতে কমলাবাৰী , ভোগপুৰ এই সত্ৰকেইখন উদাস যদিও ইয়াৰ সংহতি বৰপেটা সত্ৰৰ সৈতে একে। সেয়ে একে সংহতিৰ সত্ৰৰ পৰিৱৰ্তে আউনীআটী সত্ৰক উদাসীন সত্ৰৰ বিষয়ে আলোচনাৰ বাবে লোৱা হৈছে। আনহাতে উজনী অসমৰ উদাসীন সত্ৰৰ ভিতৰত আউনীআটী সত্ৰই কেৱল মাজুলীতে নহয় অসমৰ বিভিন্ন স্থানত শাখা সত্ৰ স্থাপন কৰি আউনীআটী সত্ৰৰ পৰিধি বিস্তাৰ কৰিছে।

অৰ্ধ উদাসীন সত্ৰ অসমত কেৱল বৰপেটা সত্ৰহে পোৱা যায়। য'ত ভকত সকলৰ মাজত উদাস আৰু গৃহস্থী দুইধৰণৰ সামজঞ্চ্য দেখা যায়। নামনি অসমৰ বিভিন্ন সত্ৰসমূহৰ ভিতৰত বৰপেটা সত্ৰ উল্লেখযোগ্য। সত্ৰখনে অসমৰ বিভিন্ন প্ৰান্তত শাখা সত্ৰ স্থাপন কৰি সত্ৰ-সংস্কৃতি প্ৰসাৰ কৰাত ভূমিকা গ্ৰহণ কৰিছে। সেয়ে অৰ্ধউদাসীন সত্ৰৰ আলোচনাৰ বাবে বৰপেটা সত্ৰখন লোৱা হৈছে।

অসমত গৃহস্থীসত্ৰ বহুত আছে। তাৰ ভিতৰত ৰাজসত্ৰ হিচাপে গড়মূৰ সত্ৰ উল্লেখযোগ্য। গড়মূৰ সত্ৰ গৃহস্থী হ'লেও সত্ৰৰ দৈনন্দিন কাৰ্য কলাপসমূহৰ পৰিৱেশন বৰ্তমানো দেখা যায়। গড়মূৰ সত্ৰইও বিভিন্ন স্থানত শাখা সত্ৰ স্থাপনেৰে সত্ৰীয়া সংস্কৃতি প্ৰসাৰ কৰা দেখা যায়। সেয়ে গৃহস্থী সত্ৰৰ আলোচনাৰ বাবে গড়মূৰ সত্ৰক লোৱা হৈছে।

## প্ৰসংগপুথি


গোস্বামী, পীতাম্বৰ দেৱ। *সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য*। কৌস্তুভ প্ৰকাশন। ২০০২।

গোস্বামী, ৰমেশ চন্দ্ৰ । *বিজ্ঞান আৰু কলা-ইমেৰু-সিমেৰুনে?*। সাতসৰী। অনুৰাধা শৰ্মা পূজাৰী (সম্পা.) । দশম বছৰ, দ্বাদশ সংখ্যা, জুলাই, ২০১৫।

পাটগিৰি জগন্নাথ (সম্পা.)। *অবিভক্ত গোৱালপাৰা জিলাৰ সত্ৰ আৰু মঠ-মন্দিৰৰ ইতিবৃত্ত।* মনোৰমা প্ৰকাশন। ১৯৯১।

ভূঞা, বিপ্লৱজ্যোতি ।*সভ্যতা*১। বহু -আনন্দ প্ৰকাশন। নগাঁও। ২০২১।